
# শালগ্ৰাম আৰু গণ্ডকী নৈ

- ৰাজীৱ প্ৰসাদ শইকীয়া



শ্ৰীবিষ্ণুৰ প্ৰতীকস্বৰূপ শালগ্ৰাম হিন্দু, বিশেষকৈ বৈষ্ণৱসকলৰ একান্ত পুজ্য। শালগ্ৰাম হৈছে চক্ৰাকাৰ চিহ্নযুক্ত, সাধাৰণতে ক'লা বা মেঘ বৰণীয়া এবিধ শিল। ৰঙচুৰা বা মিশ্ৰিত বৰণৰো সালগ্ৰাম আছে। শালগ্ৰাম পৱিত্ৰ গণ্ডকী নৈৰ বুকুৰ শিলনিত পোৱা যায়। শালগ্ৰাম শব্দটো শালিগ্ৰাম শব্দৰ পৰা আহিছে। শালিগ্ৰাম মানে বিষ্ণু। নেপালৰ এখন ভিতৰুৱা গাৱঁত বিষ্ণুক শালিগ্ৰাম বুলি কোৱা হয় আৰু সেই গাওঁ আৰু তাৰ আশে-পাশেই গণ্ডকী নৈত শালগ্ৰাম শিল বা শালিগ্ৰাম শিলা পোৱা যায়। বিষ্ণু স্বয়ং শালগ্ৰাম অৱতাৰে থকা বুলি আৰু শিলবোৰত থকা চক্ৰাকৃতিৰ চিহ্নবোৰক বিষ্ণুৱে ধাৰণ কৰা শংখ, চক্ৰ, গদা, পদ্মৰ চিহ্ন বুলি বিশ্বাস কৰা হয়। শালগ্ৰামত শংখ, চক্ৰ, গদা, পদ্ম চিহ্নৰ অৱস্থান অনুযায়ী শালগ্ৰামৰ নাম কেশৱ, নাৰায়ণ, মাধৱ, গোবিন্দ, বিষ্ণু, মধুসূদন, ত্ৰিবিক্ৰম, বামন, শ্ৰীধৰ, হৃষিকেশ, পদ্মনাভ, দামোদৰ, প্ৰদ্যুম্ন, অনিৰুদ্ধ, পুৰুষোত্তম, নৰসিংহ, অচ্যুত, জনাৰ্দন, উপেন্দ্ৰ, হৰি, কৃষ্ণ, বসুদেৱ, গদাধৰ, ক্ষ্মীনাৰায়ণ, লক্ষ্মীনৰসিংহ, ৰঘুনাথ, হয়গ্ৰীৱ, ৰাজৰাজেশ্বৰ আদি। সৰু ডাঙৰ বিভিন্ন আকাৰৰ শালগ্ৰাম পোৱা যায়। পুৰীৰ জগন্নাথদেৱৰ মন্দিৰৰ শালগ্ৰামেই বোধহয় এতিয়ালৈকে পোৱা ডাঙৰ আৰু গধুৰ শালগ্ৰাম।

**আখ্যান ঃ** পুৰাণৰ আখ্যান মতে লক্ষ্মীদেৱীক শ্ৰীবিষ্ণুৱে পত্নী হিচাপে গ্ৰহণ কৰাত অন্যতম পত্নী সৰস্বতীদেৱীয়ে বিতুষ্ট হৈ লক্ষ্মীদেৱীক তুলসী গছ হৈ পৃথিৱীত বাস কৰিবলৈ অভিশাপ দিয়ে। বিষ্ণুৰ হস্তক্ষেপত অভিশাপৰ কিছু পৰিৱৰ্ত্তন কৰা হ'ল যে গণ্ডকী নৈ ওপৰেৰে বৈ নোযোৱালৈকে লক্ষ্মীদেৱী তুলসী হৈয়ে থাকিব লাগিব। লক্ষ্মীদেৱীক স্ব স্থানলৈ আগবঢ়াই নিবলৈ বিষ্ণুৱে ইতিমধ্যে শিলৰ ৰূপ ধৰি গণ্ডকী নৈৰ কাষত অৱস্থান কৰিলে। বিষ্ণুৱে শিলৰ যি ৰূপ ধৰিছিল সেয়াই শিলাগ্ৰাম বা শালগ্ৰাম ৰূপে খ্যাত হ'ল। তেতিয়াৰ পৰা শালগ্ৰাম আৰু তুলসীক একেলগে বিষ্ণু আৰু লক্ষ্মীৰূপে পূজা কৰা হয়।

পুৰাণৰ আন এক আখ্যান মতে জলন্ধৰ অসুৰৰ পত্নী বিষ্ণুভক্ত া বৃন্দাই স্বামীৰ মঙ্গলৰ বাবে সদায় বিষ্ণুক প্ৰাৰ্থনা কৰিছিল বাবে দেৱতাসকলেতো বাদেই স্বয়ং শিৱয়ো জলন্ধৰক হৰুৱাব পৰা নাছিল। দেৱতা সকলৰ প্ৰাৰ্থনাত বিষ্ণুৱে বৃন্দাৰ তপস্যা ভংগ কৰাত সহজে দেৱতাসকলে জলন্ধৰক বধ কৰে।
বিষ্ণুৰ চলনা বুজিপাই বৃন্দাই ত্ৰে াধান্বিত হৈ বিষ্ণুক নিৰ্দিষ্ট আকাৰ হীন ক'লা শিলালৈ ৰূপান্তৰ হ'বলৈ শাপ দিয়ে। কিন্তু পিছত বৃন্দাই নিজৰ আৰাধ্য দেৱতাকে শাপ দিয়াৰ বাবে বিষ্ণুক ক্ষমা খোজে আৰু বৰ মাগে যে সেইসময়ৰ পৰা শিলা আকাৰতো যেন বিষ্ণু পূজিত হয়। বিষ্ণুৱে তথাস্তু বুলি বৃন্দাৰ
অভিশাপ স্বীকাৰ কৰে আৰু বৃন্দাক পাছৰ জন্মত বিষ্ণুৰ অতি প্ৰিয় পৱিত্ৰ তুলসী গছ ৰূপে জন্মিবলৈ বৰ দিয়ে। সতী বৃন্দাই স্বামীৰ সহমৃত্যু বৰণ কৰে আৰু বিষ্ণুৱে আকাৰ হীন ক'লা শিলৰ ৰূপ পৰিগ্ৰহণ কৰি শালগ্ৰাম ৰূপে খ্যাত হয়।

**পুৰাণৰ মতে শালগ্ৰামঃ** পদ্মপুৰাণ- শালগ্ৰাম ৰূপে থকা কেশৱৰ লগত সকলো দেৱতা, অসুৰ, যক্ষ আৰু চৈধ্য ভূৱনে নিবাস কৰে। শংখ পুৰাণ- কোনো লোকৰ শালগ্ৰাম দৰ্শন হ'লে যদি প্ৰণাম কৰে, অৱগাহন আৰু অৰ্চনা কৰে সেইজনৰ দহ নিযুত সামগ্ৰী উছৰ্গা আৰু দহ নিযুত গাই দান দিয়াৰ ফল লাভ হ'ব। গৰুড় পুৰাণ- অৰ্চনা কৰা বহুতো ঠাইত ভগৱানে নিবাস কৰে, কিন্তু সকলো শালগ্ৰামতে ভগৱানে বিৰাজ কৰে। ব্ৰহ্ম পুৰাণ- শালগ্ৰামৰ পৰা কোনো শিলাখণ্ড এৰাই গ'লে, ভাঙিলে, ফাটিলে আনকি ভাগি ডোখৰ-ডোখৰ হ'লেও কোনো অশুভ নহয়। সন্মোহন তন্ত্ৰ- শালগ্ৰাম মাটিত বা ভূমিভাগত থৈ পূজা-অৰ্চনা কৰা অনুচিত। ভাগৱত পুৰাণ- শালগ্ৰাম পূজা-অৰ্চনাত ভগৱানক আৱাহন আৰু বিসৰ্জনৰ বাবে প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন নহয়। বৃহন্নাৰদীয় পুৰাণ- শালগ্ৰাম অৰ্চনাত তুলসী কিয় লাগে সেয়া সম্পূৰ্ণ ভাৱে বাখ্যা কৰিব নোৱাৰি যিহেতু তুলসী হৈছে হৰিৰ অতিকৈ প্ৰিয় বা আদৰৰ লগৰী। স্কন্ধ পুৰাণ- যি শালগ্ৰামৰ চৰণামৃত (স্নান জল বা পদজল) পান কৰে সেইজনৰ সকলো পাপ আনকি ব্ৰহ্ম হত্যাৰ পাপো নাশ হ'ব। শালগ্ৰাম উপাসনা আটাইটকৈ উত্তম, আনকি সূৰ্য উপাসনাতকৈও উত্তম। শালগ্ৰাম শিলা বেচা কিনা কৰিলে বা ইয়াৰ আৰ্থিক মূল্য নিৰূপণ কৰিলে, মতামত দিলে নাইবা মূল্য নিৰ্দ্ধৰণৰ বাবে পৰীক্ষা কৰিলে বি ɹ-ব্ৰহ্মাণ্ড ধ্বংশ নোহোৱালৈকে নৰকত পচিব লাগিব।

শালগ্ৰাম শিলা সাধাৰণতে কোনো আৱৰণৰ ভিতৰত ৰখা হয় আৰু অৰ্চনাৰ বাবে সদায় উলিয়াই অনা হয়। সাধাৰণতে উত্তৰাধিকাৰ সূত্ৰে শিলা এজন্মৰ পৰা আন প্ৰজন্মলৈ যায়, কেতিয়াও বেচা-কিনা নহয়। শালগ্ৰাম অৰ্চনাত নিশ্চিত ভাৱে কঠোৰ নিয়ম প্ৰণালী, যেনে গা নোধোৱাকৈ কেতিয়াও স্পৰ্শ নকৰা,

মাটিত নোথোৱা, কুকৰ্মক প্ৰশ্ৰয় নিদিয়া, মাত্ৰ প্ৰসাদ গ্ৰহণ কৰা আদি মানি চলা হয়। অন্যথা বিপৰীত ফল হ'ব বুলি বি ধাস কৰা হয়।

**গণ্ডকী নৈ আৰু শালিগ্ৰাম তীৰ্থঃ** গণ্ডকী বা কালি গণ্ডকী নেপালৰ এখন প্ৰধান নৈ আৰু গঙ্গাৰ এখন উপনৈ। নেপালত ইয়াক নাৰায়ণী, কৃষ্ণা গণ্ডকী আৰু ভাৰতত গণ্ডক বুলিও কোৱা হয়। গণ্ডকী নৈৰ উৎস হৈছে নেপালৰ তিবেত সীমান্তত হিমালয়ৰ ২০,৫৬৪ ফুট উচ্চতাত অৱস্থিত নুবাইন হিমাল হিম্বাহ। হিমালয়ৰ পৰা দাৰাউদি, সেতি, মাদি, কালি, মৰ্স্যাণ্ডি, বুদ্ধি আৰু ত্ৰিশূলী নামে সপ্ত ধাৰাৰে সপ্ত গণ্ডকী নামি আহি একাকাৰ হৈ গণ্ডকীৰ মূল ধাৰাৰ সৃষ্টি হৈছে। গণ্ডকী নৈ হিমালয়তকৈও পৌৰাণিক বুলি কোৱা হয়। নেপালৰ পৰ্বতীয়া ভূমিভাগৰ মাজেৰে প্ৰৱাহিত হৈ নৈখনে শিৱালিক পাহাৰবোৰ অতিত্ৰ ম কৰি দেৱীঘাটত দক্ষিণ-পশ্চিম দিশে গতি কৰি নাৰায়ণী নাম লয়। পিছত নৈখনে দক্ষিণ-পূৱ দিশলৈ ঘূৰি ভাৰতত প্ৰৱেশ কৰে আৰু গণ্ডক নাম লয়। অৱশেষত পাটনাৰ ওচৰৰ হৰিহৰ ক্ষেত্ৰত গঙ্গা নৈত মিলি যায়।



পৃথিৱীৰ বিভিন্ন ঠাইত পোৱা এম'নাইটৰ জীৱা ম

নেপালৰ মুষ্টেং জিলাৰ ধৌলগিৰি আৰু অন্নপূৰ্ণা পৰ্বত শ্ৰেণীৰ মাজত থকা শালিগ্ৰাম গাওঁ বা মুক্তিনাথ আৰু পুলহৰ আশ্ৰমৰ মাজেদি গণ্ডকীনৈ প্ৰৱাহিত হৈ আছে। এসময়ত পুলহ বেষ্টিত পৰ্বতবোৰ শাল গছেৰে ভৰি আছিল বাবে পৰ্বতবোৰক শালগিৰি বুলিছিল আৰু অঞ্চলতোক বুলিছিল শালিগ্ৰাম। শালিগ্ৰাম অঞ্চলত পোৱা শিল বা শিলাবোৰক শালিগ্ৰাম শিলা বুলি কোৱা হৈছিল। সেই শালিগ্ৰাম শিলাই শালগ্ৰাম বা শালেগ্ৰাম। নৈখনৰ যি নিৰ্দিষ্ট ঠাই খণ্ডত চত্ৰ চিহ্নযুক্ত শিলবোৰ বা শালগ্ৰাম পোৱা যায় সেই ঠাইৰ নাম চত্ৰ -তীৰ্থ। সেই তীৰ্থৰ চাৰিও ফালে তিনি যোজন অৰ্থাৎ চৌবিশ মাইল দূৰলৈকে পবিত্ৰতা বা শুদ্ধতা বিয়পি থাকে। নৈ আৰু পৰ্বতাঞ্চলৰ বাৰ যোজন বা ছয়ান্নবৈ মাইল জুৰি থকা এলেকাটোত জলজ আৰু স্থলজ শালগ্ৰাম শিলা পোৱা যায়। ইয়াৰে জলজ বা নৈত পোৱা ভাগ শিলাহে পৱিত্ৰ আৰু অৰ্চনাৰ বাবে গ্ৰহণীয় বুলি শাস্ত্ৰই কয়।

blogasom.blogspot.com

**এম’নাইটঃ** শালগ্ৰাম শিলা বা চক্ৰ চিহ্নযুক্ত শিলবোৰ বিশেষ ধৰণৰ সাগৰীয় গেদীয় শিলত প্ৰাকৃতিক ভাৱে সৃষ্টি হোৱা এম’নাইট জীৱাশ্ম শিল। জীৱাশ্মবোৰৰ আকাৰ ৰাম ছাগলীৰ শিঙৰ দৰে ঘোৰখোৱা আৰু এনে শিং থকা গ্ৰীক দেৱতা এম’নৰ নামেৰে এম’নাইট ৰখা হয়। এই গেদীয় শিলৰস্তৰবোৰ কোনো প্ৰাকৃতিক কাৰণত অতীজত হিমালয়ৰ ওপৰলৈ উৎক্ষেপণ ঘটিছিল। এম’নাইট হৈছে চেফাল’পদা শ্ৰেণীৰ, এম’নইডিয়া উপশ্ৰেণীৰ এবিধ বিলুপ্ত, অমেৰুদণ্ডী, খোলাধাৰী সাগৰীয় প্ৰাণী। অক্টোপাছ, নটিলাছ, কাটলফিছ আদি এম’নাইটৰ জীৱীত বংশধৰ। এম’নাইটবোৰৰ ৪০০ নিযুত বছৰৰ আগেয়ে ডেভ’নিয়ান যুগত আবিৰ্ভাৱ হৈছিল আৰু জুৰাছিক যুগৰ শেষৰ ফালে বা ত্ৰি টেচিয়াছ যুগৰ প্ৰথম ভাগত প্ৰায় ৬৫ নিযুত বছৰৰ পূৰ্বে ডাইন’ছৰবোৰৰ লগতে অৱলুপ্তি ঘটিছিল। বিশ্বাস কৰা হয় যে সেই সময়ত এটা অতিকায় নেজাল তৰাই পৃথিৱীত খুন্দা মাৰিছিল আৰু তাৰ ফলত ভয়ানক পৰিমাণে ধূলি, ধোঁৱা, ছাঁই, আদি বায়ুমণ্ডললৈ নিক্ষেপিত হৈ বহু বছৰ ধৰি বেলিৰ পোহৰ পৃথিৱীত পৰাত বাধাৰ সৃষ্টি কৰিছিল। ফলত এম’নাইট আৰু ডাইন’ছৰবোৰৰ লগতে পৃথিৱীৰ ৮০ শতাংশ প্ৰাণীৰ অৱলুপ্তি ঘটিছিল। এম’নাইটবোৰে লগত লৈ ফুৰা বহুতো কোঠালিযুক্ত চক্ৰাকাৰ টান খোলা এটাৰ মূৰৰ ডাঙৰ কোঠালিটোত বাস কৰিছিল আৰু সজীৱ ক্ষুদ্ৰ নলী এডালেৰে আনবোৰ কোঠালিৰ লগত সংযোগ ৰাখিছিল। ক্ষুদ্ৰ নলীডালেৰে আনবোৰ কোঠালিলৈ জুলীয়া পদাৰ্থ আৰু বায়ু সঞ্চালন আৰু নিষ্কাসন কৰি পানীত ওপঙা আৰু বুৰ যোৱা প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰিছিল। যেতিয়া ইয়াৰ কলেবৰ বাঢ়ি যায় খেলাটোৰ আগত পুনৰ ডাঙৰ কোঠা এটাও গঠন হয়। মুখৰ আগত থকা কেইবাডালো আকৰ্ষক অংগৰ দ্বাৰা ইহঁতে সাঁতুৰি ফুৰি আন ক্ষুদ্ৰ জলচৰ প্ৰাণী ভক্ষণ কৰিছিল। এম’নাইটবোৰৰ আকাৰ আছিল দুই তিনি চেণ্টিমিটাৰৰ পৰা দুই মিটাৰ ব্যাসলৈকে। সকলো এম’নাইট সুচক্ৰাকাৰ নাছিল, প্ৰজাতি অনুসৰি অৰ্দ্ধচক্ৰাকাৰ, আংশিক চক্ৰাকাৰ বা দীঘলীয়াও আছিল। এম’নাইটক বা এম’নইডিয়া উপশ্ৰেণীৰ প্ৰাণীবোৰক ইহঁতে বাস কৰা সময় বা ভূতাত্ত্বিক যুগ অনুসৰি আঠটা



পৃথিৱীৰ বিভিন্ন ঠাইত পোৱা এম’নাইটৰ জীৱাশ্ম

..

blogasom.blogspot.com

গণত ভাগ কৰা হৈছে। গণ কেইটা হৈছে- আনাৰচেষ্টিডা- ডেভ'নিয়ান যুগ, ক্লীমেনিডা- ডেভ'নিয়ান যুগৰ প্ৰথম ভাগ, গনায়াটিডিয়া- মধ্য ডেভ'নিয়ান যুগৰ পৰা পাৰ্মিয়ান যুগৰ প্ৰথম ভাগ, প্ৰলিকেনাইটিডা- ডেভ'নিয়ানৰ প্ৰথম ভাগৰ পৰা ট্ৰায়াছিক যুগৰ প্ৰথম ভাগ, চেৰাটিডিয়া-পাৰ্মিয়ান যুগৰ পৰা ট্ৰায়াছিক যুগ, ফাইল'চেৰাটিডিয়া- ট্ৰায়াছিকৰ পৰা ত্ৰি টেচিয়াছ যুগ, লাইট'চেৰাটিডিয়া- জুৰাছিকৰ পৰা ত্ৰি টেচিয়াছ যুগ আৰু এম'নাইটিডিয়া জুৰাছিক যুগৰ প্ৰথম ভাগৰ পৰা ত্ৰি টেচিয়াছ যুগ। যুগে যুগে সাগৰৰ বালিত বা বুকুত পৰি ৰোৱা মৃত এম'নাইটৰ বা ইয়াৰ খোলাবোৰৰ ওপৰত বালি বা গেদ পৰে আৰু খনিজ পদাৰ্থ জমা হয়। কালত্ৰমত গেদীয় শিল সৃষ্টি হওঁতে এম'নাইটবোৰো প্ৰস্তৰীভূত হৈ পৰে। কেতিয়াবা প্ৰণীদেহৰ কোনো অস্তিত্ব নাথাকি শিলত মাত্ৰ সাঁচটো ৰৈ যায়। পৃথিৱীৰ বিভিন্ন ঠাইত এম'নাইটৰ জীৱা ম পোৱা যায় যদিও গণ্ডকী নৈত পোৱা এম'নাইট জীৱা ম শিলা বিশেষ বৈশিষ্ট্যপূৰ্ণ। © author